**জনসংযোগ, অসম**
**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**
**প্ৰেছ বাৰ্তা**

**নং ঃ ৪২৮/২০২০**

## বাঘজানৰ ভূকম্পনৰ দৰে ঘটনাৰ কাৰণ আৰু প্ৰভাৱ অধ্যয়নৰ বাবে উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান (নেইষ্ট)ক দায়িত্ব অৰ্পণ কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে

### অধ্যয়নত সহযোগিতা আগবঢ়াব ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান (আই আই টি), গুৱাহাটীয়ে

### মুখ্যমন্ত্ৰীয়ে কালি বাঘজানত কৰা ঘোষণাৰ পিছতে গ্ৰহণ কৰা হ'ল এই তাৎক্ষণিক পদক্ষেপ

**দিছপুৰ, ১৫ জুন ঃ** বাঘজানৰ গেছকূপত সংঘটিত অগ্নিকাণ্ডৰ পিছত অঞ্চলটোত হৈ থকা সঘন ভূকম্পনৰ দৰে ঘটনাৰ কাৰণ আৰু প্ৰভাৱ অধ্যয়নৰ বাবে উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান ( চি এছ আই আৰ নেইষ্ট)ক দায়িত্ব অৰ্পণ কৰিলে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান (আই আই টি), গুৱাহাটীয়ে এই অধ্যয়নত সহযোগিতা আগবঢ়াব। কালি বাঘজানত মুখ্যমন্ত্ৰী সোণোৱালে এই সন্দৰ্ভত কৰা ঘোষণাৰ পিছত আজি মুখ্যমন্ত্ৰীয়ে জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষত আই আই টি, গুৱাহাটী আৰু নেইষ্টৰ জ্যেষ্ঠ বিজ্ঞানীসকলৰ সৈতে এক বৈঠকত মিলিত হয়। এই বৈঠকতে ঘটনা সন্দৰ্ভত সবিশেষ অধ্যয়নৰ তাৎক্ষণিক পদক্ষেপ হিচাপে প্ৰতিষ্ঠান দুটাক এই দায়িত্ব অৰ্পণ কৰা হয়।

আলোচনাৰ সময়ত মুখ্যমন্ত্ৰীগৰাকীয়ে পৰিৱেশৰ সুৰক্ষা আৰু ভাৰসমতা ৰক্ষাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে প্ৰদান কৰা গুৰুত্বৰ বিষয়ে বিজ্ঞানীসকলক অৱগত কৰে আৰু অঞ্চলটোত অনুভূত হৈ থকা ভূকম্পনৰ সবিশেষ অধ্যয়ন কৰি প্ৰতিবেদন দাখিল কৰিবলৈ তেওঁলোকক অনুৰোধ জনায় যাতে এই ক্ষেত্ৰত চৰকাৰে উপযুক্ত আৰু সময়সাপেক্ষ পদক্ষেপ গ্ৰহণ কৰিব পাৰে। এই অধ্যয়নত ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান, গুৱাহাটীয়ে সহযোগিতা আগবঢ়াব আৰু অইল ইণ্ডিয়া লিমিটেডে অধ্যয়নৰ বাবে প্ৰয়োজনীয় সকলোধৰণৰ তথ্যপাতি আৰু সমল যোগান ধৰিব।

আজিৰ আলোচনাত উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ সঞ্চালক ড° জি নৰহৰি শাস্ত্ৰীকে ধৰি প্ৰতিষ্ঠানটোৰ জ্যেষ্ঠ বিজ্ঞানীসকল, আই আই টি, গুৱাহাটীৰ চিভিল ইঞ্জিনিয়াৰিং বিভাগৰ অধ্যাপক ড° সজল কান্তি দেৱ, অতিৰিক্ত মুখ্য সচিব জিষ্ণু বৰুৱা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সঞ্জয় লোহিয়া আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / প্ৰঃকুঃব**
**১৫/৬/২০২০**